**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২২৬/২০১৯**

**তেজপুৰত শিশু সুৰক্ষা বিষয়ক সজাগতা সভা**

**তেজপুৰ, ২০ নবেম্বৰ:** আজি তেজপুৰৰ অসমীয়া ক্লাৱৰ সন্মিলনী কক্ষত বৰ্ত্তমান সমাজৰ পৰা শিশু শ্ৰমিক, বাল্য বিবাহ আৰু শিশু সৰবৰাহৰ দৰে সমস্যাৱলী দূৰ কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত এক সজাগতা মূলক সভা অনুস্থিত হয় ।

শোণিতপুৰত জিলা শিশু সুৰক্ষা সমিতিৰ দ্বাৰা আয়োজিত এই সজাগতা সভা আজি শোণিতপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত কুলেন শৰ্মাই আনুষ্ঠানিক ভাবে উদ্বোধন কৰে আৰু সভাত জিলা শিশু কল্যাণ সমিতিৰ সভাপতি দিলীপ কুমাৰ বৰুৱাই সভাপতিত্ব কৰে। সভাত অতিৰিক্ত উপায়ুক্ত গৰাকীয়ে ভাষণ প্ৰদাণ কৰি শিশু শ্ৰমিক, বাল্য বিবাহ আৰু শিশু সৰবৰাহৰ সমস্যাৰ সৈতে জড়িত বিভিন্ন দিশ সামৰি ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে ক্ষেত্ৰ তথা গাওঁ পৰ্যায়ত সজাগতা সভা অনুস্থিত কৰাৰ বাবে আহবান জনায় আৰু শিশু সকলৰ সুৰক্ষাৰ বাবে উপলব্ধ বিশেষ আইনী ব্যৱস্থা সন্দৰ্ভত সজাগ থাকিবলৈ সকলো পক্ষৰ প্ৰতি আহবান জনায় । তেওঁ জিলা শিশু সুৰক্ষা সমিতিৰ লগতে আৰক্ষী প্ৰশাসনক এনে শিশু শ্ৰমিক, বাল্য বিবাহ আৰু শিশু সৰবৰাহৰ দৰে ঘটনাৰ কোনো সম্ভেদ লাভ কৰিলে তাৎক্ষণিক ভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব আল্লা ৰহমানে শিশুৰ ক্ষেত্ৰত প্ৰযোজ্য বিভিন্ন আইনী সাহাৰ্য্যৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। জিলাৰ উপ-আৰক্ষী অধীক্ষক ড০ ৰশ্মি ৰেখা শৰ্মাইও শিশু সৰবৰাহ সন্দৰ্ভত বক্তব্য ৰাখি এইক্ষেত্ৰত আৰক্ষী বিভাগে লব লগা পদক্ষেপৰ বিষয়ে কয়। সভাত শিশু জুভেনাইল জাষ্টিচ বৰ্ডৰ সদস্য বোধেন্দ্ৰ নাথ শৰ্মা, সহকাৰী শ্ৰম অয়ুক্ত বৰ্ণালী শৰ্মা চাংকাকতি, লোকপ্ৰিয় গোপীনাথ বৰদলৈ মানসিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ সিদ্ধেশ্বৰেও ভাষণ প্ৰদাণ কৰে। সভাৰ আৰম্ভণিতে জিলা শিশু সুৰক্ষা বিষয়া ৰুবী কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় ।